# “ৰাষ্ট্ৰীয় সুৰক্ষা, সীমা সুৰক্ষা আৰু নাগৰিকৰ কৰ্তব্য”




শ্ৰী অৰুণ কুমাৰ জী

# ৰাষ্ট্ৰীয় সুৰক্ষা, সীমা সুৰক্ষা আৰু নাগৰিকৰ কৰ্তব্য

২০১৭ বৰ্ষৰ ৭ মে’
গুৱাহাটীত অনুষ্ঠিত
নাগৰিক সভাত
**মাননীয় অৰুণ কুমাৰ দেৱে**
দিয়া ভাষণ

— অনুবাদক —
ড° প্ৰতিমা নিয়োগী

**National Security, Border Security and Role of Civilians...**
শীৰ্ষকত সীমান্ত চেতনা মঞ্চৰ ৰাষ্ট্ৰীয় উপদেষ্টা শ্ৰী অৰুণ কুমাৰ দেৱে ২০১৭ মে' ৭ তাৰিখে গুৱাহাটীস্থিত বিবেকানন্দ কেন্দ্ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা নাগৰিক সভাত দিয়া ভাষণৰ অসমীয়া অনুবাদ।

---


প্ৰকাশক : প্ৰকাশন বিভাগ,
সীমান্ত চেতনা মঞ্চ : পূৰ্বোত্তৰ
অসম প্ৰদেশ
আলোক ভৱন, নাৰায়ণ নগৰ
ভৰলুমুখ, গুৱাহাটী - ৯



© : প্ৰকাশক



অৰিহণা : ২০.০০ (পোন্ধৰ টকা)

অনুবাদক : ড০ প্ৰতিমা নিয়োগী

দ্বিতীয় সংস্কৰণ : ১০ মে, ২০২২

ডি. টি. পি. : অৰ্জুন চৌহান
বজৰং প্ৰেছ, ধুবুৰী

মুদ্ৰক : ডি, ডি এছোচিয়েট্‌ছ
আলোক ভৱন, ভৰলুমুখ
গুৱাহাটী - ৯
দূৰভাষ : ৯৮৬৪০৫২৪১৭

# ৰাষ্ট্ৰীয় সুৰক্ষা, সীমা সুৰক্ষা আৰু নাগৰিকৰ কৰ্তব্য আৰু দায়িত্ব

সীমান্ত চেতনা মঞ্চ, গুৱাহাটী মহানগৰৰ সৌজন্যত আয়োজিত আজিৰ এই প্ৰবুদ্ধ নাগৰিকৰ সভাত আমাৰ আটাইৰে সৌভাগ্যবশতঃ মঞ্চত বিৰাজমান সীমান্ত চেতনা মঞ্চ, অসমৰ প্ৰান্তীয় অধ্যক্ষ মাননীয় ড° কে কে চহৰীয়া দেৱ, মহানগৰ অধ্যক্ষ ৰিটায়াৰ্ড উইং কমাণ্ডাৰ শ্ৰী মনোজ শ্ৰুতিকৰদেৱ, প্ৰান্ত উপাধ্যক্ষ ড° প্ৰতিমা নেওগী মহোদয়া, অখিল ভাৰতীয় সহ সংযোজক প্ৰদীপন জী লগতে সকলো উপস্থিত গণ্যমান্য ভাই আৰু ভগিনী সকল, -

ৰাষ্ট্ৰীয় সুৰক্ষা, সীমা সুৰক্ষা - আমাৰ কৰ্তব্য আৰু দায়িত্ব। এই বিষয়টো বৰ ব্যাপক, Multi Dimentional। বৰ্তমান পৃথিৱীৰ Scenario সলনি হৈ যোৱাৰ লগে লগে এই বিষয়বোৰো জটিল হৈ গৈ আছে। সেয়েহে মই ইয়াৰ সকলো দিশৰ ওপৰত আলোকপাত নকৰোঁ, কেৱল ইয়াৰ ফলত যিবোৰ প্ৰত্যাহ্বান আৰু জটিলতাৰ সৃষ্টি হৈছে, যাৰ ফলস্বৰূপে সমাজ সলনি হৈছে পৃথিৱী সলনি হৈছে, এই বিষয়বোৰৰ লগত সংগতি ৰাখি সীমান্ত অঞ্চল, সীমান্ত সুৰক্ষা আৰু নিজৰ নিজৰ কৰ্তব্য সমূহ কি হোৱা উচিত, তাৰ বিষয়ে কেৱল আলোকপাত কৰিম।

বিশ্বত সুৰক্ষা, ৰাষ্ট্ৰীয় সুৰক্ষা আদিৰ বিষয়ে আলোচনা হ'লে সকলোৰে মনলৈ সেনা, যুদ্ধ, আক্ৰমণ আদিৰ কথাহে মনলৈ আহে আৰু

সঁচা কথা ক'ব লাগিলে আগতে দেশৰ সীমা সলনি হৈছিল যুদ্ধ আৰু আক্ৰমণৰ আধাৰত। সুৰক্ষা মানে Defence, এই ধাৰণাই বিশেষকৈ আছিল। আজিও বহুতো মানুহৰ মনত এনে ধাৰণা আছে যে সুৰক্ষা মানে কোনো Strategic Expert বা শাসনত থকা লোকৰহে বিষয়। মই কেৱল দুটা সৰু ঘটনাৰ কথা ক'ম।

২য় বিশ্বযুদ্ধৰ পিছৰ সময়ছোৱাৰ প্ৰায় ৪৫ বছৰ কাল ধৰি যেতিয়া বিশ্বৰ বিষয়ে আলোচনা হৈছিল যে পৃথিৱীখন কেনে ধৰণৰ, তেতিয়া কোৱা হৈছিল এইখন এখন Bi-polar World. দুটা মহাশক্তি আছে ইয়াত, এটা আমেৰিকা আনটো ৰাছিয়া। বাকী অধিকতৰ দেশে হয় আমেৰিকা নহ'লে ৰাছিয়াৰ লগতে জড়িত হৈ আছিল। কোনখন দেশ বেছি শক্তিশালী, এইলৈও বিতৰ্ক চলিছিল। কোনোবাই কৈছিল আমেৰিকা বেছি শক্তিশালী আন কিছুমানে আকৌ ৰাছিয়াহে বেছি শক্তিশালী বুলি কৈছিল। অন্তৰীক্ষত যোৱাৰ ক্ষমতা, অৰ্থনৈতিক ক্ষমতা, সামৰিক ক্ষমতা, পৃথিৱীক প্ৰভূত্ব কৰাৰ ক্ষমতা ইত্যাদি বিষয়বোৰত কাৰ আধিপত্য বেছি, এইবোৰ বিষয় লৈও নানান চৰ্চা হৈছিল। কিন্তু হঠাতে এনে এটা ঘটনা ঘটিছিল যে যিয়ে ৪৫ বছৰ ধৰি Super Power বুলি মনা, সেই U.S.S.R.ক এক মাহৰ ভিতৰতে এক ডজনতকৈ বেছি টুকুৰাত বিভক্ত কৰি পেলালে। কি হৈছিল ঘটনা? ৰাষ্ট্ৰীয় সুৰক্ষাৰ গতিবিধি বা Scenario আগৰ দৰে নাছিল। কোনো সৈনিকৰ যুদ্ধ হোৱা নাছিল বা কোনো আক্ৰমণ হোৱা নাছিল কিন্তু U.S.S.R. ৰ দৰে Super Power এক ডজনতকৈ বেছি ভাগত বিভক্ত হৈ যায়। কিয় এনে হৈছিল? কোনোবাই কৈছিল Perception সলনি হৈছিল, কোনোৱাই কৈছিল খাদ্য সুৰক্ষাৰ অভাব হৈছিল আৰু কিছুমানে কৈছিল - Institution collapse কৰিছিল। যিয়েই নহওঁক কিয়, এইবোৰ এটা অধ্যয়ন কৰাৰ বিষয় হ'ব পাৰে। কিন্তু আচল ঘটনাটো হ'ল বিশ্বৰ Super Power বুলি জনাজাত দেশ এখনক টুকুৰা টুকুৰ কৰিবলৈ মাত্ৰ এক মাহ সময়হে লাগিছিল, তাকো বিনা যুদ্ধ,

বিনা আক্ৰমণেৰে। ইয়াৰ ১০/১২ বছৰ পিছত মানুহে ক'বলৈ আৰম্ভ কৰে যে এতিয়া বিশ্ব Uni polar world. কাৰণ বিশ্বত এতিয়া একমাত্ৰ শক্তিধৰ দেশ বা Super power এখন আছে আৰু সেইখন হৈছে আমেৰিকা। আমেৰিকাক কোনো প্ৰত্যাহ্বান কৰোঁতা নাই। There was no challenger to America এনে ধৰণৰ এটা ধাৰণা সকলোৰে মনত আছিল। পৃথিৱীৰ ভিতৰত আটাইতকৈ ডাঙৰ অৰ্থনৈতিক শক্তিধৰ, আটাইতকৈ শক্তিশালী আৰু উন্নত সামৰিক শক্তিধৰ, প্ৰভূত্বশালী, সৰ্বভৌম, পৃথিৱীৰ সকলো দিক্ নিৰ্ণয়কাৰী দেশ আছিল আমেৰিকা। কিন্তু হঠাতে এক অজান আতংকবাদী সংগঠনৰ ১৫/২০ জন মানুহে মাত্ৰ ১৫ মিনিটত আমেৰিকাৰ চাৰিখনকৈ এৰোপ্লেন লৈ Highjack কৰে আৰু আমেৰিকাৰ অৰ্থনৈতিক শক্তিৰ প্ৰতীক টুইন টাৱাৰ, সিহঁতৰ সামৰিক শক্তিৰ প্ৰতীক পেন্টাগন আৰু পৃথিৱীৰ ওপৰত আমেৰিকাৰ প্ৰভুত্বৰ প্ৰতীক White House, এই তিনিটাৰ ওপৰত সিহঁতে আক্ৰমণ কৰে। চাওঁতে চাওঁতে Twin Tower ৰ ধ্বংসস্তুপত পৰিণত হয়, পেন্টাগনৰ এটা অংশ ধ্বংস হয়। White House কোনোমতে ৰক্ষা পৰে যদিও পৃথিৱীৰ ভিতৰত Super Power হিচাপে থকা Myth of Supremacy ভাঙিবলৈ সময় লাগিছিল মাত্ৰ ১৫ মিনিট। তেওঁলোক আমালোকৰ পৰা কোনোবা চাৰি হাজাৰ, ছয় হাজাৰ বা আঠ হাজাৰ দূৰৰ আছিল কিন্তু তেওঁলোক কোনো সেনা নাছিল বা কোনো দেশ নাছিল। যোৱা ৩০ বছৰ বা ৫০ বছৰ ৰাষ্ট্ৰীয় সুৰক্ষাৰ বিষয়ে যদি আমি দৃষ্টিপাত কৰো তেতিয়াহ'লে দেখিবলৈ পাওঁ যে এই বিষয়টো দিনে দিনে জটিলৰ পৰা জটিলতৰ হৈ গৈ আছে। তেওঁলোকে যি কৰিব লগীয়া আছিল, কৰিছিল। আজিৰ দিনত অকল Conventional বা পৰম্পৰাগত ভাবে চিন্তা কৰিলে কাম নহ'ব।

মোক মাজে মাজে কিছুমানে প্ৰশ্ন কৰে যে এই দেশৰ ৰাষ্ট্ৰীয় সুৰক্ষাৰ ক্ষেত্ৰত আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান কি? উত্তৰত মই কওঁ যে এই দেশৰ কোনো এজন লোকে ৰাষ্ট্ৰীয় সুৰক্ষাৰ দিশটোক নিজৰ চিন্তাৰ বিষয় বুলিয়েই

নাভাবে। তেওঁলোকৰ মতে এইবোৰ আমাৰ চিন্তাৰ বিষয় নহয়। তেতিয়াহ'লে এইবোৰ কাৰ চিন্তাৰ বিষয়? দেশৰ Security Setup ৰ, দেশৰ ডাঙৰ ডাঙৰ নেতাৰ, অৱসৰ প্ৰাপ্ত সামৰিক বিষয়াৰ অথবা যিসকলৰ প্ৰকাশ আছে (Exposures) তেওঁলোকৰহে বিষয়। বিশ্বত আমেৰিকাই বাস্তৱিকতে প্ৰভুত্ব পাইছে, আমি বুজিব লাগিব যে বিশ্ব যেনেদৰেই নচলক কিয় তাৰ বাবে অধ্যয়নৰ বহুতো মহত্ব আছে। Strategy আৰু অধ্যয়ন। Stratagic thinking আৰু বেলেগৰ বিষয়ে অধ্যয়ন, এই দুটা দিশত যিখন ৰাষ্ট্ৰই মনোনিবেশ কৰিব, সেইখন ৰাষ্ট্ৰই সুৰক্ষিত থাকিব আৰু প্ৰভূত্ব কৰিব পাৰিব।

মই প্ৰায়ে দিল্লীত গৈ থাকিবলগীয়া হয়, সেই সময়ত মই ডাঙৰ ডাঙৰ Think tank ক লগ পাবলৈ চেষ্টা কৰোঁ। এবাৰ তেনে এজন Think tank এ মোক কৈছিল যে আপুনি Washingtone ত আহি এবাৰ চাব, তেতিয়া আপুনি বুজি পাব আমেৰিকাই পৃথিৱীৰ সকলোতে কিয় ইমান হস্তক্ষেপ কৰে। মই ইয়াৰ কাৰণ সুধোঁতে গম পালোঁ যে আমেৰিকাৰ Washingtone ত যিমান Coffee House আছে তাতকৈ অধিক Think tank আছে। পৃথিৱীত এনে কোনো বিষয় নাই যিবোৰ অধ্যয়ন কৰিবলৈ তাত মানুহ নাই, সকলো বিষয় অধ্যয়ন কৰা, সকলো পক্ষৰ অধ্যয়ন কৰা হয় তাত। সেয়ে এনে অধ্যয়নৰ দায়িত্বত থকা বহুতো লোক মাজে মাজে আহে তালৈ। আমি ক'ব নোৱাৰিম কি কি বিষয়ত তাত অধ্যয়ন হয়, কোন কোন দেশৰ মানুহ আহে আৰু কি আলোচনা বিলোচনা চলে। আমাৰ উত্তৰ পূবত কিমানজন মানুহ আছে যিয়ে মনিপুৰৰ বিষয়ে অধ্যয়ন কৰিছে, ম্যানমাৰৰ অধ্যয়ন কৰিছে অথবা তিব্বতৰ অধ্যয়ন কৰিছে। আমাৰ সমাজত বেলেগৰ বিষয়ে অধ্যয়ন কৰা স্বভাবেই নাই। এইবোৰ বিষয় লৈ মাজে মাজে মনত প্ৰশ্ন উদয় হয়। আজিৰ পৰা দহ বছৰ আগতে মোক এজনে কৈছিল' জানেনে এইবাৰ কি হৈছে, মই সুধিলো কি হ'ল? এইবাৰ আমাৰ এটা উদ্যোগ মৃত্যুমুখত পৰিল। তেওঁ এজন বেপাৰী আছিল, তেওঁ মোক জনালে যে দেৱালীৰ সময়ত আগতে

আমাৰ গাওঁৰ কুমাৰ সকলে সৰু সৰু লক্ষী আৰু গণেশৰ মূৰ্ত্তি সাজিছিল, কিন্তু এইবাৰ আমাৰ লক্ষী আৰু গণেশ আটাইবোৰ তেনেই পৰি ৰল। সুন্দৰ সুন্দৰ লক্ষী আৰু গণেশৰ মূৰ্ত্তিৰে বজাৰ ভৰি পৰিছে, সকলো মূৰ্ত্তিয়েই চীনদেশত প্ৰস্তুত। থলুৱা বেপাৰী কিছুমানে হাজাৰত কিনি লাখত বিক্ৰি কৰিছে, বহুত সস্তা Margin ভাল। চীনৰ এটা সঠিক ধাৰণা আছে যে দেৱালীৰ সময়ত ভাৰতত লক্ষী আৰু গণেশৰ চাহিদা বেছি আছে সেইবোৰ মাত্ৰ এসপ্তাহতে বিক্ৰী হৈ যায়। সাত দিন বজাৰত বেচিব লাগিলে কেতিয়া বস্তুবোৰ ভাৰতত পঠাব লাগিব আদি বিষয়বোৰ চীনদেশৰ নখদৰ্পনত। চীন দেশক লৈ আমি বহুতো কথা কওঁ কিন্তু বেলেগৰ পৰা আমাৰ বহুত শিকিব লগীয়া আছে। তাতো হাজাৰে বিজাৰে ভাৰতৰ ওপৰত অধ্যয়ন কৰা কেন্দ্ৰ আছে। তাতে আমাৰ বজাৰৰ ওপৰত, অৰ্থ ব্যৱস্থাৰ ওপৰত, সুৰক্ষাৰ ওপৰত আৰু কিমান বিষয় যে অধ্যয়ন হয় যাৰ ফলত আমি কিছুমান বিষয় ভবাৰ আগতে সিহঁতে সেই বিষয়বোৰৰ ওপৰত মতামত দিব পৰা হয়গৈ।

দুৰ্ভাগ্যবশত, যোৱা হাজাৰ বছৰৰ ভিতৰত আমাৰ দেশত চিন্তা কৰাৰ ধৰণ সলনি হৈছে। আমাৰ দেশত বহুতো চিন্তাশীল ব্যক্তি আছে, যাৰ বিষয়ে আমি জানো, তেনে এজন ব্যক্তি আছিল চানক্য। চানক্যই কৈছিল, যদি আপুনি আপোনাৰ শত্ৰুক জানে আৰু চিনি পায়, Adversary and enemy যদি আপুনি আপোনাৰ বিৰোধী বা শত্ৰুৰ দুৰ্বলতা বা শক্তি বুজি পায় আৰু অনাগত দিনত সিহঁতক প্ৰতিৰোধ কৰিবলৈ সামৰ্থ ৰাখে তেতিয়াহ'লে আপুনি এশ বছৰ শান্তিৰে বাস কৰিব পাৰিব। If you know the weakness of your adversaries and enemy, their weakness and strength, even the veteran power also, than and then only you can live in peace for 100 years. পৃথিৱীত সুখী আৰু সুৰক্ষিত থাকিবলৈ হ'লে ইয়াৰ বাহিৰে আৰু অইন কোনো উপায় নাই। আমাৰ যি শত্ৰু, তেওঁৰ শক্তি কিমান তাক জানিব লাগিব, তেওঁৰ দুৰ্বলতা ক'ত, সেইটোও জানিব লাগিব আৰু আৱশ্যক হ'লে

প্ৰতিৰোধ ক্ষমতা সাজু কৰা, Capability build up কৰিব লাগিব। তেতিয়া হ'লেহে আমি সুখ আৰু শান্তিৰে বসবাস কৰিব পাৰিম। আমাৰ দেশৰ দুঃৰ্ভাগ্য যোৱা ডেৰ দুই হাজাৰ বছৰৰ ভিতৰত লাহে লাহে আমি বেলেগৰ বিষয়ে অধ্যয়ন কৰা অভ্যাস হেৰুৱাই পেলাইছো। আমি তেতিয়াই সচেতন আৰু সচকিত হওঁ যেতিয়া আমাৰ মূৰৰ ওপৰেদি পানী বাগৰি যায় বা জোৰ পুৰি হাত পায়হি। আমি বুজিয়ে নাপাওঁ, বিশ্লেষণ কৰিবই নোৱাৰো যে East India Company ৰ আচল উদ্দেশ্য কি আছিল, সেই বিষয়ে আমাৰ লক্ষ্যই নাছিল। আজি যেতিয়া আমি সীমা সুৰক্ষা, ৰাষ্ট্ৰীয় সুৰক্ষাৰ বিষয়ে আলোচনা কৰোঁ তেতিয়া দুখন প্ৰতিবেশী দেশৰ কথা প্ৰথমেই উল্লেখ কৰিব লাগিব। এই দেশ দুখনে বাস্তবিকতে বিৰাট শত্ৰুতাপূৰ্ণ আৰু নিজৰ Approach অনুযায়ী আমাৰ দেশৰ লগত ব্যৱহাৰ কৰি আহিছে. এই বিষয়বোৰ আমি জনা উচিত বুজা উচিত আৰু বিচাৰ কৰি চোৱা উচিত। ইয়াৰ বাহিৰওে আৰু কেইখনমান প্ৰতিবেশী ৰাষ্ট্ৰ আছে, তাকলৈও আমি বেলেগ ধৰণে চিন্তা কৰাৰ আৰশ্যকতা আছে।

কিছুমান নোহোৱা কথাৰ আলোচনা আমাৰ দেশত প্ৰায়েই চলি থাকে। বহুতো Expert, mediaত Debate, বাতৰি কাকতত article আৰু দুৰ্ভাগ্যবশতঃ দেশৰ ডাঙৰ ডাঙৰ নেতাসকলে চীন আৰু পাকিস্থানৰ লগত আমাৰ নীতি কেনেধৰণৰ হোৱা উচিত সেই বিষয়ে বক্তব্য আগবঢ়ায়। স্বাধীনতাৰ পিছত পাকিস্থানৰ লগত ভাৰতৰ চাৰিখনকৈ যুদ্ধ হয়। সেই যুদ্ধ কেইখন ১৯৪৭, ১৯৬৫, ১৯৭১ আৰু এখন কাৰ্গিলত হৈছিল। পাকিস্থানৰ নীতিৰ ক্ষেত্ৰত কোনো অস্পষ্টতা নাই বা কোনো Confusion নাই। ১৯৭১ ৰ পিছত পাকিস্থানে বুজি পাইছিল যে Conventional Warfare দ্বাৰা ভাৰতক পৰাস্ত কৰিব পৰা নাযাব, ভাৰতৰ শক্তি ইমান বৃদ্ধি পাইছে যে কোনো ধৰণৰ যুদ্ধতে ভাৰতৰ লগত ফেৰ মাৰিব পৰা নাযাব, গতিকে সিহঁতে যুদ্ধৰ পদ্ধতি সলনি কৰিছে। তেওঁলোকৰ Think Tank এ বহি নিৰ্ণয় লৈছে আমি জেহাদী Concept ৰ আধাৰত যুদ্ধ কৰিব লাগিব। জিহাদী Concept ৰ অৰ্থ হ'ল

Bleeding India by thousand of cuts. সিহঁতৰ নীতি স্পষ্ট যে হিন্দুস্থানৰ হাজাৰ ঠাইত আক্ৰমণ কৰি তেজেৰে ৰাঙলী কৰিব লাগিব, সিহঁতক শান্তিৰে থাকিব দিব নালাগিব। ভাৰতৰ লগত ১৫ দিনৰ বেছি যুদ্ধ কৰাৰ ক্ষমতা সিহঁতৰ নাই। কিন্তু যোৱা ২৮ বছৰত আই এছ আই (ISI)এ কোন কোন দেশত কি কৰিছে তাক সকলোৱে জানে। জম্মু কাশ্মীৰত আই এছ আইয়ে চলোৱা সন্ত্ৰাসৰ কথা আমাৰ কাৰো অবিদিত নহয়। জম্মু-কাশ্মীৰ চেক্টৰত আই এছ আইৰ নাশকতামূলক কাম কাজৰ বাবে ৫,৫০০ নিৰাপত্তা ৰক্ষী জোৱানৰ মৃত্যু, বলিদান হয়। ১৯৬৫ আৰু ১৯৭১ চনৰ যুদ্ধৰ হিচাব বাদ দি। Proxy যুদ্ধত ১৪,০০০ চিভিলিয়ান, ২২,০০০ উগ্ৰপন্থী, মুঠ ৪১,০০০ লোকে জীৱন দিছে, মৃত্যু হৈছে। ইয়াৰ ফলত ৭৫,০০০ এ.কে. ৪৭ ৰাইফল, গ্ৰেনেড, লঞ্চাৰ, ৰকেট লঞ্চাৰ, বন্দুক, ৰাইফল, পিষ্টল, টেলিষ্টপিক বন্দুক ইত্যাদি ইমান হাতিয়াৰ উদ্ধাৰ হৈছিল যে দহটা সেনাৰ কোম্পানী খুলিব পৰা গ'লহেঁতেন। ইয়াৰ বাহিৰেও ভাৰতত হাজাৰ হাজাৰ কোটি কোটি টকা খৰচ হৈছিল। পাকিস্থানৰ confusion নাই, ভাৰতৰ প্ৰতি সিহঁতৰ নীতি কি হ'ব সেয়া স্পষ্ট। সিহঁতে Nuclear Bomb বনাইছে, নাম ৰাখিছে Islamic bomb, পৰমাণু বোমা নহয়। তেওঁলোকে ইছলামিক দেশৰ ওপৰত নেতৃত্ব কৰিব। আমি প্ৰস্তাৱ দিছোঁ আমি কেতিয়াও কোনো বোম প্ৰথমতে ব্যৱহাৰ নকৰো, পাকিস্থান কৈছে আমি যুদ্ধৰ বাহিৰে এই বোম কতো ব্যৱহাৰ নকৰো। পাকিস্থানৰ নীতি সদায় স্পষ্ট কিন্তু আমাৰ ইয়াত নোহোৱা কথাত বহুত আলোচনা চলে কাৰণ পাকিস্থানৰ ওপৰত আমাৰ অধ্যয়ন নাই।

কিছুদিন আগতে দালাই লামাই ভাৰতত অহাৰ সময়ত মোৰ সৈতে নিজকে Strategic thinker বোলা এজন ব্যক্তিৰ আলোচনা হৈছিল আৰু কথা প্ৰসংগত তেওঁ কৈছিল আমাৰ ভাৰতৰ বিদেশ নীতি ঠিক নহয়। মই ইয়াৰ কাৰণ সোধাত উত্তৰত তেওঁ কৈছিল যে ভাৰততো ঠিকেই চলি আছিল, দালাই লামাক কিয় ভাৰতত সোমাব দিয়া হ'ল, চীন দেশক আমি কিয় বিৰক্ত (annoy) কৰোঁ, দেশত উত্তেজনা কিয় বৃদ্ধি কৰোঁ। দালাই লামা

ভাৰতত প্ৰৱেশ কৰা কাৰণে চীন দেশ বিৰক্ত হয় নে সেই দেশৰ Approach এনেকুৱাই। চীনৰ দৰে অনৈতিক (Unethical) দেশ পৃথিৱীত কোনোবা এখন আছেনে? তেওঁলোকে পিয়াংইয়াংৰ ভিতৰত কাকো Mohammad নাম ৰাখিব নিদিয়ে, ইছলামিক নাম ৰখাৰ অনুমতি তাত নাই। ইছলামিক উৎসবো তাত পালন কৰাৰ অনুমতি নাই। সিহঁতে জিনজিয়াংৰ demography সলনি কৰি আছে নিজৰ হাং লোকক তাত বহুৱাই কিন্তু জেইস-ই-মহম্মদৰ ওপৰত ban লগাব বিচাৰিলে ইয়াৰ বিৰুদ্ধে নিজৰ Veto Power ৰ ব্যৱহাৰ কৰে। ইয়াতকৈ unethical দেশ আৰু কোনোবাখন হ'ব পাৰেনে? পাকিস্থানত যিদৰে জিহাদী মতবাদ আছে চীন দেশৰ ভিতৰতো মাওবাদী নীতি চলে। মাওৰ নীতি হ'ল যিখন দেশৰ ওপৰত নিজৰ প্ৰভুত্ব বিস্তাৰ কৰিব লাগে সেই দেশখনৰ ভিতৰত (local movement) স্থানীয় আন্দোলনত ইন্ধন যোগাব লাগে। সেই দেশখনৰ ভিতৰত কিছু (contradiction) বিৰোধ থাকিব পাৰে, সেই বিৰোধক সমাজৰ মাজত ভেদত বদলাই দিব লাগে, তাত কিছুমান (dissatisfaction) অসন্তোষ থাকিব পাৰে সেইবোৰক discontent লৈ সলনি কৰি দিব লাগে। সেই discontent ৰ আধাৰত সমাজক disstabilize কৰিব লাগে আৰু disstabilize হ'লে যি আন্দোলন আৰম্ভ হ'ব তাক সৰ্বোতোপ্ৰকাৰে সহায় কৰিব লাগে। যোৱা ৫০/৬০ বছৰৰ ভিতৰত লাগে উত্তৰ পূবতে হওঁক বা ভাৰতৰ যিকোনো ঠাইত মাওৰ আন্দোলন হওঁক এই সকলোবোৰ ক্ষেত্ৰত চীন দেশৰ নীতি একদম স্পষ্ট যে ভাৰতক ভাঙিবলৈ নিজৰ ভিতৰতে ভাৰতক ভাগ কৰা, বিভেদ সৃষ্টিকাৰী শক্তি থিয় কৰাব লাগে আৰু এই ক্ষেত্ৰত সকলো ধৰণৰ প্ৰয়াসক সমৰ্থন কৰিব লাগে। যোৱা দহ বছৰৰ ভিতৰত জম্মু-কাশ্মীৰত চীনদেশৰ প্ৰেৰিত আৰু সমৰ্থিত যি আন্দোলনসমূহ চলি আছে যাৰ ফলত ৪,৪০০ সীমান্তৰক্ষী বাহিনী বলিদান হৈছে, ১১,০০০ সাধাৰণ জনতাৰ মৃত্যু হৈছে আৰু দহ হাজাৰ, যাৰ প্ৰভাবৰ victim হৈছিল বা যাৰ দ্বাৰা চীনে এইবোৰ কাৰ্য্য সম্পাদন কৰিছিল, সিহঁতৰ মৃত্যু হৈছে। তেওঁলোক কোনো বাহিৰৰ মানুহ নাছিল, এই দেশৰে মানুহ আছিল। Maoist সকলৰ

এই যিবোৰ আন্দোলন চলি আছে তাত ২০০০ কোটি টকাৰ বিনিয়োগ হৈ আছে। ২,০০০ ৰ বেছি হাতিয়াৰ বা অস্ত্ৰ-শস্ত্ৰ লৈ তাত পৰম্পৰাগত আৰু অপৰম্পৰাগত হাতিয়াৰ লৈ এটা ফৌজ তাত মজুত আছে, ৫৬ এনে জিলা আছে যি বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত, ২০০ খন জিলাত সিহঁতৰ দলং আছে। চীন দেশ একেবাৰে নিশ্চিত তেওঁলোকে ভাৰতৰ লগত থকা সম্বন্ধক লৈ কিদৰে আগবাঢ়িব। কিন্তু আমাৰ ইয়াত confusion আছে, আমাৰ ইয়াত নোহোৱা কথাত debate চলে। মোৰ মনত পৰে এসময়ত টি.ভি.ত এখন serial চাইছিলো "মুংগেৰী লাল কী হাচিন স্বপনে"। ভাৰতৰ expert সকলে আজিকালি তেনেকুৱা হাচিন সপোন দেখি থাকে। চীন দেশে তাৰ চাৰিওফালে থকা দেশ সমূহৰ লগত সীমা নিৰ্ণয় কৰি লৈছে কেৱল ভাৰতৰ বাহিৰে। কিয় ? ভাৰতৰ লগত থকা সীমা চীনে কেতিয়াও নিস্পত্তি নকৰিব। তিব্বতৰ ওপৰত সিহঁত কব্জা কৰি লৈছে, অৰুনাচলৰ ওপৰত সিহঁতৰ দাবী (claim) আছে, লাডাখৰ ওপৰত সিহঁতে দাবী নেৰে, গিলগিটৰ বহু অঞ্চল সিহঁতৰ proxy অঞ্চললৈ পৰিণত হৈছে। ১১,০০০ Pak occupied Jammu Kashmir ৰ লোকে অকলে তাত বাস কৰে। এই সকলোবোৰ অঞ্চল ভাৰত আৰু চীন দুয়োখন দেশৰ বাবেই অধিক মহত্বপূৰ্ণ। ভাৰতক টেটু চেপা দিবৰ বাবে আৰু চীনৰ নিজৰ সমস্যা সমূহ সমাধানৰ বাবে এই বিষয়টো অতি গুৰুত্বপূৰ্ণ। এচিয়া মহাদেশৰ ৬৫ শতাংশ পানী চীন দেশৰ মাজেদি বৈ গৈছে। চীনে এই জল সম্পদ সমূহৰ গতি নিজৰ ফালে বোৱাই নিবলৈ প্ৰয়াস কৰিছে। ডাঙৰ ডাঙৰ বান্ধ বনাইছে, মুঠতে সকলো জল সম্পদৰ ওপৰত নিজৰ আধিপত্য স্থাপন কৰিব বিচাৰিছে। উত্তৰ পূৰ্বাঞ্চলৰ মানুহে কেতিয়াবা কয় ভগৱানে আমাক বহুত দিছে। তাৰ ভিতৰত আটাইতকৈ ডাঙৰ Gift হৈছে আমাৰ ecology. আমাৰ ecological gift সচাঁকৈয়ে চহকী কিন্তু ecological balance ও অনাগত দিনত বিপদত পৰাৰ সম্ভৱনা। জল সুৰক্ষাৰ ক্ষেত্ৰতে হওঁক বা ecological সুৰক্ষাৰ ক্ষেত্ৰতে হওঁক, ভৱিষ্যতত বহুত ডাঙৰ বিপদৰ সন্মুখীন হ'ব লাগিব। গোটেই ভাৰতৰ ওচৰ পাজৰৰ দেশত চীনে Anti In-

dian Force ক উদ্‌গনি দিবলৈ চেষ্টা কৰি আছে। Encircling India গোটেই ভাৰতৰ চাৰিওফালে ম্যানমাৰৰ পৰা আৰম্ভ কৰি কোকো দ্বীপ, আন্দামান, তোতা, শ্ৰীলংকাৰ পৰা জম্মু, হিন্দ মহাসাগৰ, গোৱাৰ পৰা পাকিস্থানলৈ, সকলোতে চীন দেশে নিজৰ ঘাটি (base) তৈয়াৰ কৰিছে। চীনৰ নীতি একেবাৰে পৰিস্কাৰ যে ভাৰতক এনে ভাবে ঘেৰি লোৱা, ভাৰতত এনে পৰিস্থিতি সৃষ্টি কৰা, ভাৰতৰ চাৰিওফালে এনে বাতাবৰণৰ বনোৱা যাতে ভাৰতে কেতিয়াও সিহঁতৰ প্ৰতিদ্বন্দ্বী হৈ থিয় দিব নোৱাৰে। আমাৰ দেশৰ নেতাসকলে ডাঙৰ ডাঙৰ ৰাষ্ট্ৰ যেনে আমেৰিকা, ৰাছিয়া, ইউৰোপ, পশ্চিম এচিয়া আদি দেশবোৰৰ লগত বিভিন্ন ধৰণৰ আলোচনা কৰে, কিন্তু আলোচনা নকৰে কেৱল নিজৰ সীমান্তৰ। এইখন দেশত প্ৰতিবেশী দেশৰ ক্ষেত্ৰত আৰু সীমা সম্বন্ধীয় বিষয়বোৰত ইমান উপেক্ষা কৰা হৈছে, পৃথিৱীৰ কোনো দেশে এই বিষয়বোৰ ইমান উপেক্ষা কৰা নাই। কোনো দেশৰ যদি সীমা সুৰক্ষিত, তেতিয়াহলে দেশ সুৰক্ষিত। কিন্তু আমাৰ দেশৰ স্থিতি কেনে? ১৯৫৬ চনত প্ৰথম বাৰ আমি লাডাখত Border Police পঠিয়াওঁ। তেওঁলোকক এখন নক্সা দিও, নক্সাখন মহাৰজাৰ সময়ৰ মেপ, ইংৰাজৰ সময়ৰ মেপ। মেপখন দি আমি সীমান্ত পুলিচক কওঁ যে মেপত ভাৰত কিমান দূৰলৈ আছে, তালৈ যাওঁক আৰু তালৈ গৈ Border Police ৰ Post বনাই লওঁক। কামটোৰ বাবে এজন Surveyer Border Police ৰ লগত গৈছিল। সিহঁত Army নাছিল। ১৯৪৭ চনত ভাৰত স্বাধীন হয় ন বছৰ পিছত অৰ্থাৎ ১৯৬৫ ৰ ভিতৰতে চীনে কবলৈ ধৰে সেই অংশটো সিহঁতৰ আৰু এই সম্বন্ধে সিহঁতে ভাৰত চৰকাৰক এখন চিঠি লিখে। চৰকাৰে সেই Report লুকুৱাই থয়, কেতিয়াও কাৰো আগত এই কথা কোৱা নাই। Border Police ৰ লগতে Surveyer ৰ দলটো যেতিয়া তাত উপস্থিত হয়, যাওঁতে পথাৰ, নৈ আদি পাৰ হৈ গৈ থাকোঁতে হঠাতে এঠাইত দেখা পায় এটা বহুত ডাঙৰ আলিবাট। তেওঁলোক ভাবিলে ইয়াত ৰাস্তা কেনেকৈ আহিল, আমাৰ কিবা ভুল হোৱা নাইতো? এই ভাবি ভালকৈ পৰ্য্যবেক্ষন কৰি যেতিয়া চায় তেতিয়া দেখিবলৈ

পালে যে এটা বিৰাট ডাঙৰ Highway বনোৱা হৈছে। চীনে ১৯৫২ চনৰ পৰা ১৯৬৫ চনৰ ভিতৰত, সিহঁতৰ দেশত communist শাসন অহাৰ পিছত নিজৰ দেশৰ পুনৰ উত্থানৰ চেষ্টা কৰে। সিহঁতে এইটো ভালকৈ বুজি পাইছিল যে চীন দেশ সুৰক্ষিত হ'ব লাগিলে সিহঁতক লাডাখৰ পৰা কাৰ্গিললৈ এটা মহামাৰ্গ লাগিব আৰু সেয়ে চীনে এই Eastern Highway টো বনায়। ১৯৫৬ ত যেতিয়া আমি তালৈ গৈছিলো, তেতিয়া Highway সম্পূৰ্ণ হৈ গৈছিল কিন্তু আমি গমেই পোৱা নাছিলো। ১৯৫৮ চনত আমি ভাৰতীয় অঞ্চল অধিগ্ৰহণ কৰি তাত এটা চকী (Post) বনাবলৈ চেষ্টা কৰো। তাৰ কাৰণে আমি এটা দল পঠিয়াওঁ কিন্তু সকলোৱে বলিদান হৈ যায়। চীনে ১৯৬২ চনত অহা নাই, চীনে লাডাখৰ বহুত ডাঙৰ অঞ্চল এটাত আগৰে পৰাই সোমাই আছিল। পৃথিৱীৰ কোনো দেশতে নিজৰ সীমাৰ ইমান উপেক্ষা কেতিয়াওঁ হোৱা নাই, যিটো ভাৰতত হৈছে। ইয়াৰ মানুহৰ এনেবোৰ বিষয় লৈ চিন্তা কৰাৰ অৱকাশেই নাই।

কেৱল Border Security নহয়, Coastal Security ৰো একেই অৱস্থা। মই বহুত বাৰ সুধিছোঁ, আমাৰ দেশখন কিমান ডাঙৰ, তেওঁলোক কয় ৩২ লাখ Sqare Kilometer । কেৱল ৩২,০০০০০ লাখ S.K.M. নে? আমাৰ দেশত 32,00000 S.K.M. ৰ ভিতৰত কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈ, কাছাৰৰ পৰা অৰুণাচললৈ আৰু মণিপুৰলৈ এই চিত্ৰ হয়। আমাৰ 1,400 (Island) দ্বীপ আছে। মই সংখ্যা এই কাৰণেই উল্লেখ কৰিলো যে আজিলৈকে সম্পূৰ্ণ সঠিক তথ্য কোনেও ক'ব পৰা নাই। চৰকাৰৰ যিমান বিভাগ আছে, যাকেই সোধা যায়, সকলোৱে বেলেগ বেলেগ সংখ্যা দিয়ে। এতিয়া চৰকাৰে ভাবিছে দ্বিতীয় বাৰ হিচাব কৰি সঠিক সংখ্যা উলিয়াব লাগিব বাস্তৱিক আমাৰ কিমান আয়তন। 32,00000 লাখ S.K.M. আমাৰ area আছে, 1,400 Island আছে। 20,00000 S.K.M. Exclusive Economic Zone আছে 2 লাখ Sq. কিলোমিটাৰ আমাৰ Territorial Water আছে কিন্তু আমাৰ দেশত সীমা

সম্পৰ্কীয় কথাবোৰ বিচাৰ কৰাৰ সময়ত এইবোৰ কথাত গুৰুত্ব দিয়া নহয়। এই কথাবোৰ সদায় মহত্বহীন, চকুত নপৰা হৈ ৰয়। আমি আমাৰ Island Securityৰ কথা, Coastal Securityৰ কথা, Border Securityৰ কথা বিচাৰ নকৰোঁ। দেশৰ ভিতৰত যেতিয়া ইফালৰ পৰা সিফাল ভ্ৰমণ কৰিব লগীয়া হয়, তেতিয়া তিনিটা বস্তু Common দেখিবলৈ পোৱা যায়, সেইয়া Border area তে হওঁক বা Coastal area তে হওঁক বা land border তে হওঁক। যেনে —

১) সীমান্ত অঞ্চলত আপুনি ক'তো বিকাশ বা Development দেখা নাপাব, এইটো কমন। কালি নাগালেণ্ডৰ কোহিমাত সীমান্তৰ মানুহৰ লগত কথা পাতোতে তাতে এজন বিদ্যাৰ্থী আহিছিল লগ পাবলৈ। কোহিমাৰ পৰা 300 K.M. দূৰত সীমান্ত অঞ্চলত তেওঁৰ ঘৰ। মই তেওঁক সুধিলোঁ, কিমান সময় লাগিল আহিবলৈ? তেওঁ কলে 24 ঘণ্টাতকৈ বেছি লাগে, কেতিয়াবা 36 ঘণ্টা আৰু কেতিয়াবা 40 ঘণ্টাও লাগি যায়। মই ইয়াৰ কাৰণ কি বুলি সোধোতে বিদ্যাৰ্থীজনে ক'লে যে 200 K.M. লৈকে কেচা পকা অকনমান ৰাস্তা আছে, তাৰ পিছত ৰাস্তাই নাই। এয়া কোনো দূৰৰ কথা কোৱা নাই, মোৰ প্ৰতিবেশীৰ কথাকে কৈছোঁ। মই সেই সীমান্ত অঞ্চলটো নিজ চকুৰে দেখা নাই, কিন্তু এনে এটা সীমান্ত মই নিজে দেখা পাইছোঁ। আমাৰ লাডাখৰ একেবাৰে শেষৰ গাওঁখনৰ নাম হ'ল ডেমচ্‌ক। Block Headquarterৰ পৰা 280 K.M. ৰ দূৰত্ব। তাত 240 K.M. লৈ কোনো ধৰণৰ ৰাস্তা নাই মাত্ৰ 40 K.M. ত হে ৰাস্তা আছে। সেই অঞ্চলখিনি মৰুভূমিৰ দৰে, চলাৰ বাবে উপযুক্ত নহয়। কেতিয়াবা সৰু সৰু গাড়ী চলে। সেই গাওঁৰ Block Headquarter ৰ লগত Connectivity হ'ল সপ্তাহত চলা এখন বাছ, তাকে মিনি বাছ, বাকী দিন কেইটা বিছিন্ন হৈ থাকে ডেমচ্‌ক। আমি ডাঙৰ ডাঙৰ চহৰত বাস কৰা লোকৰ বাবে ই সপোনৰো অতীত। সম্পূৰ্ণ সীমান্ত অঞ্চলত কোনো উন্নয়ণ দেখা নাপাব। ম্যানমাৰত যদি যোৱা যায় তাত ম্যানমাৰৰ মোবাইল টাৱাৰ আহিব, বাংলাদেশলৈ গ'লে বাংলাদেশৰ Network আহিব, নেপাললৈ

গলওে সেই একে নেপালৰ Network আহিব। আমাৰ ছিম কাম নকৰে। ভাবিলে বৰ আচৰিত লাগে যে প্ৰতিখন সীমান্ততে Basic amenities যেনে লিখা পঢ়া, স্বাস্থ্য ইত্যাদিবোৰৰ কোনো সুবিধা নাই। ফলত সীমান্তৰ পৰা মানুহৰ পলায়ন হৈ আছে, Migration হৈছে। সীমান্তত যদি মানুহে নাথাকে, দেশ এখন কেনেকৈ থাকিব। দেশ সমাজক লৈ গঠিত হয়। আমি কেতিয়াও ভবাই নাই যে সীমান্তত যিসকলে বাস কৰে তেওঁলোক হ'ল আমাৰ First guarding force. Guarding force B.S.F. নহয়, Army নহয়, I.D.B.P. নহয়, First guarding force হ'ল Border ত বসবাস কৰা মানুহ। কিন্তু গোটেই দেশতে আমি সীমান্তক উপেক্ষা কৰিছোঁ, Road connectivity, Mobile Connectivity ইত্যাদি সুবিধা নাই। Television আজিকালি Sattelite ৰ জৰিয়তে চাব পাৰি যদিও বিজুলী নাই।

২) সীমান্ত অঞ্চলৰ দ্বিতীয় কমন কথাটো হ'ল সকলো ঠাইতে অবৈধ গতিবিধি। Crime, Illegal activity, fake currency, arms smuggling, drugs smuggling, infiltration। যিমান সীমা আছে সকলোতে illegal trade, illegal activity ৰ কেন্দ্ৰ হৈ পৰিছে। এইয়া কেৱল অসম সীমান্তৰ কথা নহয় গোটেই দেশৰে একেই চৰিত্ৰ।

৩) তৃতীয় কমন কথাটো হ'ল সীমান্ত অঞ্চলত ক্ৰমাগত ভাবে Demography সলনি হৈ গৈ আছে। অকল ইয়াত নহয়। মই কৰ্ণাটকলৈ যাওঁতে দেখা পাইছিলোঁ যে তাৰ সীমান্ত অঞ্চলত মালদ্বীপৰ মানুহ আহি মাটি কিনি বসতি আৰম্ভ কৰিছে। আমি জানোনে মাল দ্বীপৰ জনসংখ্যা কিমান? এইদৰে আগুৱাই যদি আমি যোধপুৰলৈ যাওঁ তেতিয়াহ'লে আমি দেখিবলৈ পাম তাত পাকিস্থান মানুহৰ আহি বসবাস আৰম্ভ কৰিছে। আমাৰ পূৰ্বোত্তৰ অন্তৰ্গত অসম, বেংগল, বিহাৰ, নেপাল আদি সকলো বিলাক ঠাইত আমি Demography ৰ চৰিত্ৰ সলনি হোৱা দেখিবলৈ পাওঁ। আমাৰ দেশত এই বিষয়বোৰৰ প্ৰতি কাৰো কাণসাৰ নাই। এই illegal activity ৰ কাৰণবোৰ

কেনে আৰু কোনে কৰিছে। যেনে - 26/11 মুম্বাইত আতংকবাদীৰ সন্ত্ৰাস হ'ল, তাৰ কাৰণ কেৱল এটাই। ভাৰতত প্ৰৱেশ কৰা লোক সকল কোন আছিল। সেই illegal activity কৰা লোক সকলেই। সিহঁতক ৰাস্তা কোনে দেখুৱাইছিল অস্ত্ৰ-শস্ত্ৰ কোনে দিছিল। আশ্ৰয় কোনে দিছিল, সকলো সিহঁতেই। ইয়াৰ উপৰি আমাৰ সীমান্তৰ সুৰক্ষা কটকটীয়া নোহোৱা বাবে আতংকবাদীয়ে ভাৰতৰ মাটিত পদাৰ্পণ কৰিবলৈ সুবিধা পায়। তিনি দিন ধৰি দহজন আতংকবাদীয়ে গোটেই ভাৰতক বন্ধক বনাই ৰাখে যাৰ ফলত দেশৰ হাজাৰ হাজাৰ কোটি কোটি টকা লোকচান হয়।

গোটেই বিশ্বতে যিধৰণে জনসংখ্যাৰ (Demography) চৰিত্ৰ সলনি হ'ব ধৰিছে ইয়াৰ বিষয়ে সজাগ আৰু সচেতন হোৱাৰ আৱশ্যকতা আছে। যোৱা 17 বছৰৰ ভিতৰত একেই শতাব্দীত বিশ্বত তিনিখন নতুন দেশৰ সৃষ্টি হয়। East Timor, Kosovo আৰু South Sudan. এই তিনিখন দেশ যোৱা বিছ বছৰত গঠন হয়। তিনিওখন দেশ গঠন হোৱাৰ মূল কাৰণ আছিল সেই দেশখনৰ এটা অংশৰ ভিতৰত জনসংখ্যাৰ গাঠনিৰ পৰিবৰ্ত্তন। Character of the population, demography of the area. গোটেই চাৰ্বিয়া নামৰ ৰাজ্যখন চাৰ্ব মূলৰ লোকাৰ দেশ আছিল। যিখন দেশক Kosovo কোৱা হয় তাত Coal mine আছিল। ১৮৭০ পৰাই তাত কয়লা খনিত কাম চলিছিল; কিন্তু মানুহৰ অভাৱৰ বাবে সিহঁতক Worker লগা হৈছিল। সেয়েহে কয়লাখনিত কাম কৰিবলৈ তেওঁলোকে Albania ৰ পৰা বহুত সংখ্যক Worker লৈ আহিছিল। সিহঁতৰ Growth Rate বহুত বেছি আছিল। They were three times more then the Serbians. চাৰ্বিয়ান সকলতকৈ তিনিগুণ বেছি আছিল সিহঁতৰ জন্মৰ হাৰ। ১৯৩২ আহোঁতে আহোঁতে সিহঁতৰ সংখ্যা ৪০% শতাংশ হৈ যায়, ১৯৬০ ত এই সংখ্যা বৃদ্ধি হৈ ৬০% হয় আৰু তাত আন্দোলন আৰম্ভ হয়। ইয়াৰ লগে লগে সংঘৰ্ষ আৰম্ভ হয় আৰু আতংকবাদী কাম কাজো বাঢ়ি যায়। ১৯৯২ ত সিহঁতে স্বাধীনতা ঘোষণা কৰি দিয়ে। ১৫ বছৰ

ধৰি যুদ্ধ চলে। ২০০৭ চনৰ ভিতৰত যিটো Land locked area আছিল, সেই Kosovo এখন দেশ হৈ গ'ল। ইয়াৰ এটাই মাত্ৰ কাৰণ আছিল যে দেশৰ সেই অংশত সেই দেশৰ জনসংখ্যা Minority ত পৰিণত হৈছিল। একে ঘটনা ঘটিছিল East Timor আৰু South Sudan তো। বিশ্বৰ ইতিহাসৰ সঁচা কথাটো হ'ল যিখন দেশৰ Demography সলনি হয় সেইখন দেশৰে Boundary ও সলনি হয়। পাকিস্থান আৰু বাংলাদেশো এনেদৰেই হৈছে। জম্মু-কাশ্মীৰৰ সমস্যাৰ সৃষ্টি এনেই হোৱা নাই। কিন্তু দুঃভাৰ্গ্যৰ কথা আমাৰ দেশৰ সকলো সীমান্তৰ অৱস্থা একেই, অসুৰক্ষিত, সেইবোৰ অঞ্চলত সামান্য সুবিধাও উপলব্ধ নহয়, ৰাষ্ট্ৰভক্ত লোকসকলৰ পলায়ন হৈ আছে, জনসংখ্যাৰ চৰিত্ৰ সলনি হ'ব ধৰিছে, অবৈধ গতিবিধি ক্ৰমান্বয়ে বাঢ়ি আছে। দেশৰ সুৰক্ষাৰ ক্ষেত্ৰত এয়া এক ডাঙৰ প্ৰত্যাহ্বান, বিশেষকৈ Character of the population, demography of the population ৰ পৰিৱৰ্তন।

প্ৰাচীন ভাৰতবৰ্ষৰ সীমা অতি সুবিস্তৃত আছিল। বহুতো দেশ ইয়াৰ সীমাৰ ভিতৰত আছিল। কিন্তু আমাৰ লগত যিমান দেশ আছিল তাৰ কিছুমানৰ লগত অব্যৱহাৰিক নীতি প্ৰয়োগ কৰা হৈছিল। কেতিয়াবা আমাৰ দেশক লৈ মানুহে যেতিয়া প্ৰতিবেশী দেশ বুলি কয়, তেতিয়া মোৰ মনত এটা প্ৰশ্ন উদয় হয় তেওঁলোক প্ৰতিবেশী হৈ গ'ল কেতিয়া? আমাৰ হাজাৰ হাজাৰ বছৰৰ যাত্ৰা একেলগে আছিল। তিব্বত আৰু ভাৰত দুয়োৰে যাত্ৰা একেলগে চলি আহিছিল। কিন্তু আমাৰ মন মগজুত British India Concept কৰি গৈছে। ১৯৪৭ লৈকে তিব্বত আৰু আমি একেলগেই আছিলোঁ। British India ৰ লগত তিব্বতৰ সম্বন্ধ আছিল, They were protectorate and British India was protector. তিব্বতৰ Foreign relation British এ কৰিছিল। সিহঁতৰ সুৰক্ষা British army এ কৰিছিল Communication British India ই কৰিছিল। ১৯৫৯ লৈকে তিব্বত আমাৰ Post আছিল। কিন্তু ১৯৫৯ তে চীনে সেনা পঠিয়াই সেই সকলো অঞ্চল দখল কৰি লয় ফলত আমাৰ Post টো বন্ধ হৈ যায়। ১৯৪৭ লৈকে আমাৰ লগত তিব্বতৰ সন্ধি (Treaty) আছিল

যে They were protectorate আমি Protector. বাস্তৱিকতে ভাৰতৰ ভিতৰত বহুতো ৰাজ্য আছিল। প্ৰাচীন ভাৰতত ইয়াৰ তিনিটা খণ্ড আছিল। গংগাৰ সেইটো পাৰে আৰ্য্যাবৰ্ত, এইটো ফালে ব্ৰহ্মাবৰ্ত আৰু বিন্ধ্যাচলৰ দক্ষিণে দাক্ষিণাত্য, গোটেই দেশৰ ভিতৰত একেই সংস্কৃতি আছিল, একেই সমাজ আছিল। ৰাজ্য ভাগ হ'ব পাৰে কিন্তু সমাজ বিভক্ত হোৱা নাছিল। যিকোনো মানুহে যিকোনো ফাললৈ যাব পাৰিছিল আৰু থাকিব পাৰিছিল, আমাৰ ইয়াত Migration of Population বেলেগ নাছিল। ৰজাসকলে কেতিয়াবা নিজৰ মাজত যুঁজ বাগৰ কৰিছিল। কিন্তু সমাজে যুদ্ধ কৰা নাছিল। স্বাধীনতাৰ যুদ্ধৰ সময়ত ১৯৪৩ ত মই ম্যানমাৰত এখন পোষ্টাৰত দেখা পাইছিলো চাৰিজন মানুহৰ ছবি। সেই কেইজন আছিল পণ্ডিত জৱাহৰলাল নেহৰু, সুভাষ চন্দ্ৰ বোস, মহাত্মা গান্ধী আৰু ছানি আফজল। বিভেদ কেতিয়া আৰম্ভ হয়। শ্ৰীলংকাৰ চিলোন কংগ্ৰেছে ১৯৪৭ লৈকে সকলোবোৰ কাৰ্য্যক্ৰমতে অংশ গ্ৰহণ কৰিছিল। কিন্তু ইংৰাজে সিহঁতক বেলেগ কৰি Crown coloney নাম দিয়ে কেৱল Strategic location ৰ কাৰণে, নহ'লে সেই ঠাইখন চেন্নাইৰ লগত থাকিলহেঁতেন।

স্বামী বিবেকানন্দই চাৰি বছৰ বিদেশ যাত্ৰা কৰি ভাৰতলৈ আহে আৰু সমুদ্ৰ তটত নামি মাটিত বাগৰি ধূলিৰে ধূসৰিত হৈ পৰে তাৰ বালিবোৰ তুলি গাত সানিব ধৰে। মানুহে সোধে, স্বামীজী কি হ'ল আপোনাৰ? উত্তৰত স্বামীজীয়ে কৈছিল মোক মাৰ লগত মিলিব দিয়া। কিন্তু ১০০ বছৰৰ ভিতৰত আমাৰ স্মৃতি ভ্ৰষ্ট হৈ গৈছে, ভাৰতৰ এনে কল্পনা কাৰো মূৰত নাই। নেপাল কেতিয়া বেলেগ হৈ গ'ল? নেপাল এখন ৰাজ্য হ'ব পাৰিলহেঁতেন কিন্তু স্বাধীনতাৰ পিছত আমাৰ অব্যৱহাৰিক নীতিৰ ফলত সকলো ক্ষেত্ৰতে তেওঁলোকৰ সমাজৰ পৰা আমি আমাক পৃথক কৰি লৈছোঁ। আমি তাত শাসন কৰা সকলৰ প্ৰতি এনে নীতি তৈয়াৰ কৰিছোঁ যাৰ কাৰণে সিহঁতে ভাৰত বিৰোধী শক্তিৰ লগত মিলিত হৈছে। ভূটানৰ বাহিৰে এনে এখন দেশ

নাই যিখনে ভাৰতৰ লগত আত্মীয়তাৰ ভাব পোষণ কৰে। দেশৰ দুঃৰ্ভাগ্য, শত্ৰুতো শত্ৰুয়ে, যিসকল আমাৰ প্ৰতিবেশী আছিল, তাকো আমি দূৰ কৰি দিছোঁ। আমাৰ প্ৰতিবেশী সকলৰ লগত আমাৰ যিটো নীতি, সমাজ আৰু তন্ত্ৰৰ তথা সীমান্তৰ প্ৰতি যি উপেক্ষাতাৰ বাবে সংকটৰ চিত্ৰ অধিক ঘনীভূত হৈছে।

আজি Situation বৰ জটিল হৈ গৈ আছে। আহি থকা বা অনাগত দিনত এই দেশৰ ভিতৰত যি Security ৰ কথা কোৱা হয়, সেইটো অকল Defence আৰু Military ক্ষেত্ৰতে নহয়। বৰ্তমান সময়ত কাৰিকৰী (Technical) সুৰক্ষাৰ মহত্ব অধিক। Electronics যুগৰ ভিতৰত যিকোনো দেশৰ Syber Security এ হওঁক বা Electronic Security এ হওঁক এইবোৰ ধ্বংস হ'বলৈ সৰহপৰ নালাগে। আজি Food Security এ হওঁক, Water Security এ হওঁক, সকলো বিষয়বোৰৰ মহত্ব বাঢ়ি গৈ আছে। আজি বিশ্ব যি ধৰণে Inter connected, inter dependent আৰু inter wired হৈ গৈ আছে যে কাৰো পক্ষে isolated হৈ থকা সম্ভৱ নহয়। কিন্তু এই বিষয়ে আমাৰ কোনো চিন্তাই নাই। আমি বেলেগ এখন পৃথিৱীত বাস কৰোঁ। এটা বহুত ডাঙৰ জাঠ আন্দোলন চলি আছিল হাৰিয়ানাত। আমি এই আন্দোলনৰ কথা শুনিছো অথবা বাতৰি কাকতত পঢ়িছোঁ। হঠাতে এটা জাতি আৰক্ষণৰ নামত থিয় হ'ল, আৰক্ষণতো আছিলেই কিন্তু হঠাতে যি আক্ৰমণাত্মক হৈ পৰিল, সেয়া চিন্তনীয়। এই বিষয়টোৰ ওপৰত এটা বিশ্লেষণ ওলাইছিল, আৰু দেখা গৈছিল যে তাত Social Media ৰ বহুত ডাঙৰ ভূমিকা আছিল। আজিকালি আমি Social Media ৰ বহুত চৌখিন হৈছোঁ, গোটেই দিন বহি বহি like কৰোঁ আৰু post কৰোঁ। এইফালৰ পৰা অহা post সিফালে আৰু সিফালৰ পৰা অহা ইফালে পঠিয়াই থাকোঁ। কিন্তু এই Information বোৰ কোনে দিছে, কি দিছে, ইয়াৰ Authenticity আছে নে নাই সেইবোৰ কোনেও নাভাবে। We all are victim now a days. 500 ৰ বেছি Social Media ৰ ওপৰত

active profile যোৱা এবছৰত জাঠ আন্দোলনৰ সময়ত 50,000ৰ পৰা 1,000 active followers আছিল। আপুনি শুনি আচৰিত হ'ব যে যেতিয়া analysis কৰা হ'ল তেতিয়া দেখা গ'ল যে তাৰ 600 pages ৰ ভিতৰত 500 এ পাকিস্থানৰ পৰা চলি আছে। পাকিস্থানৰ লোকে proxy নামেৰে সেইবোৰ চলাই আছিল। সেই 500 pages ৰ আধাৰত 30,000 লোক আন্দোলিত হৈছিল। অথচ আমি আজি সেইবোৰৰ অনুৰাগী। আমি সচেতন নে? চৰকাৰে কি কৰিব, এইটো চৰকাৰৰ বিষয় নহয়, আমি যিসকলে পুৱাৰ পৰা গধূলিলৈ Facebook, Twitter ত লাগি থাকো, তেওঁলোকৰ চিন্তাৰ বিষয়। আপুনি এইবোৰৰ প্ৰতি সচেতন নে। আপুনি মানুহক সচেতন কৰাইছেনে? আজি কিছুদিন আগতে আমেৰিকাৰ Trump ৰ নিৰ্বাচন হৈছিল, এই নিৰ্বাচনত ৰাছিয়াৰ এটা ডাঙৰ ভূমিকা আছিল। সেইয়া কম আছিল নে বেছি আছিল সেইয়া পিছৰ কথা, কিন্তু সঁচা কথা হ'ল Trump জয়ী হোৱাৰ আঁৰত ৰাছিয়াই এটা বিৰাট ডাঙৰ Decisive role play কৰিছিল। কোনো challenge ও কৰিব নোৱাৰে। আজি Security ৰ (Dimension) সংজ্ঞা সলনি হ'ব ধৰিছে। Media Channel, Social Media, Electronic Media এইবোৰৰ মাধ্যমেদি সমাজৰ মাজত ভেদ ভাব আনি দিয়া হৈছে। আমাৰ মূল্যবোধৰ (values) ওপৰতআঘাত হ'ব ধৰিছে। মই থকা ঘৰৰ ছোৱালী এজনীয়ে মোক Post এটা দেখুৱাইছিল, মই তাইৰ দেউতাককো দেখুৱাইছোঁ। Post টো দেখুৱাই ছোৱালী জনীয়ে কৈছিল, পিতাজী ডাঙৰ হ'লে মোক ৰামৰ দৰে স্বামী নালাগে, নহ'লে মই সীতাৰ দৰে অগ্নি পৰীক্ষা দি থাকিব লাগিব। আৰু এটা Post ত লিখা আছিল মোক কৃষ্ণৰ দৰে স্বামীও নালাগে নহ'লে মই গোটেই জীৱন অপেক্ষা কৰি থাকিব লাগিব মোৰ পাল কেতিয়া আহিব। এই কথা আমি ভাবিব পাৰোঁনে যিখন দেশত মীৰাৰ দৰে আন বহুতো দেৱী কৃষ্ণৰ বাবে জীবন দান কৰিছিল, সেই ক্ষেত্ৰত VII, X ত পঢ়া ছোৱালী এজনীয়ে এনে ধৰণৰ কথা ক'ব পাৰে কেনেকৈ? এইবোৰ post কোনে generate কৰে, কোনে post পঠিয়ায়, এইবোৰেদি কি ধৰণৰ Target কৰি লোৱা হৈছে,

কথাবোৰ ভাবিব লগীয়া। দেশৰ বহু বিষয়ৰ ওপৰত চিন্তা কৰিবলৈ, সচেতন হ'বলৈ আৰশ্যকতা আছে। বিশ্বৰ ঘটনাবোৰৰ dimension বহুত আছে, সেই সকলোবোৰ চৰ্চা কৰাৰ লগে লগে আমি বুজিব লাগিব ঘটনাবোৰ কি হৈ আছে।

ৰাষ্ট্ৰীয় সুৰক্ষা, সীমা সুৰক্ষা এইবোৰ কেৱল চৰকাৰৰ বিষয় নহয়। এই সকলোবোৰ সমাজৰ বিষয় হ'ব লাগিব। তাৰ বাবে সমাজৰ সচেতন আৰু দায়িত্বশীল লোক আগবাঢ়ি আহিব লাগিব। আজি বিশ্বৰ পৰিৱৰ্তিত ঘটনাবোৰ উপলব্ধি কৰা, চিন্তা কৰা বা সেইবোৰ বিশ্লেষণ কৰা, এই সকলোবোৰ কাম বা সকলো বিষয় যিকোনো মানুহে কৰিব নোৱাৰে। কিন্তু মই এটা বিষয় বাছি লৈ তাৰ ওপৰত গভীৰ অধ্যয়ন কৰিম, তাক বুজিম, চিন্তা কৰিম, তাৰ ওচৰ চাপিম, এনে লোকৰ সংখ্যা আমি বৃদ্ধি কৰিব পাৰোঁনে? মই অধ্যয়ন কৰিম মোৰ কথা কোনে শুনিব, কোনে নুশুনিব, এইবোৰ কথাৰ পৰিণাম কি হ'ব এইবোৰ চিন্তা কৰাৰ প্ৰয়োজন নাই। ১২০ কোটি মানুহৰ ওচৰত কোনো এজন বা দুজন মানুহ যাব নোৱাৰে, ১০/১৫ টা সংস্থাই একো কৰিব নোৱাৰে। ১০০/২০০ মানুহেও সকলোৰে ওচৰ গৈ নাপাব। এই বিষয়ে দেশৰ সজাগ আৰু দায়িত্বশীল ব্যক্তিয়ে সীমা সুৰক্ষা আৰু ৰাষ্ট্ৰীয় সুৰক্ষাক নিজৰ বিষয় বুলি ভাবি লৈ কাম কৰি যাব লাগিব। আমি নিজৰ নিজৰ বিষয় সূচী নিৰ্দ্দিষ্ট কৰি লোৱাৰ প্ৰয়াস কৰিব পাৰো নে? সেই বিষয়বোৰৰ গভীৰলৈ অধ্যয়ন কৰিব পাৰোঁনে, এইবোৰ বিষয়ৰ ওপৰত Team থিয় কৰাৰ পাৰোঁনে? এইদৰেই কাম আৰম্ভ কৰিব পাৰি। চৰকাৰৰ ওপৰত সকলো দায়িত্ব আছে বুলি বা কাগজে পত্ৰে কেৱল article লিখিলে নহয়। বিষয়বোৰ গভীৰ ভাবে অধ্যয়ন কৰিব পৰা মানুহ হ'ব লাগিব। দ্বিতীয় কথা এই যে সীমা সুৰক্ষা, ৰাষ্ট্ৰীয় সুৰক্ষা এই বিষয়বোৰ সমাজৰ বিষয় ৰূপে বিবেচিত হ'ব লাগে, এইবোৰ কেৱল কোনো গোষ্ঠী বা মিটিংৰ বিষয় হ'ব নালাগে। সমাজৰ জন আন্দোলন হিচাবে গুৰুত্ব পাব লাগে। সমাজৰ সাধাৰণ লোকক আমি সজাগ কৰিব পাৰিব লাগিব। স্কুল, কলেজ বা গাওঁবোৰলৈ

সীমা সুৰক্ষাৰ বিষয়টো লৈ যাব পাৰোঁনে? সীমাত যিসকল লোক কাম কৰিছে, তেওঁলোক কি কি বা কেনে ধৰণে ভাবিছে, চিন্তা কৰিছে, আমি এই বিষয়বোৰ সিহঁতক বুজাব পাৰোঁনে? আমাৰ বেপাৰ কৰা বেপাৰী তেওঁৰ ভূমিকা কি হ'ব পাৰে। আমাৰ দেশৰ প্ৰত্যেক ব্যক্তি যতেই নাথাকক কিয় নিজৰ দেশৰ সুৰক্ষাৰ প্ৰতি সদা সচেতন হৈ মহত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে আৰু এই দিশত অইনকো তৈয়াৰ কৰিব পাৰোঁ। দৰাচলতে কোনো দেশক তৈয়াৰ কৰিব লাগিলে দেশক Prepare কৰিব লাগিব। কামটো চৰকাৰৰ নহয়, সমাজে কৰিব লাগিব, সীমা সুৰক্ষাৰ বিষটো সমাজৰ আন্দোলন হ'ব লাগে। সমাজৰ সজাগ আৰু সচেতন ব্যক্তিয়ে এনে জাগৃত সমাজ লগত লৈ শাসন আৰু প্ৰশাসন তন্ত্ৰৰ লগত যোগাযোগ ৰক্ষা কৰিব লাগে। সমাজৰ এটা এটা প্ৰশ্নৰ সমাধান কৰিবলৈ প্ৰয়াস কৰিব লাগে। সীমান্ত চেতনা মঞ্চৰ কাম এইটোৱেই। ১৯৮৫ চনত ৰাজস্থানত মঞ্চৰ যি আৰম্ভণি হৈছিল, এই অঞ্চলত অলপ দেৰীকৈ হ'লেও, সেই বছৰৰ পৰাই এই কাম প্ৰাৰম্ভ কৰাৰ প্ৰচেষ্টা চলি আছে। সীমান্তত বসবাস কৰা লোক, সচেতন লোক, আমি সকলোৱে সমাজৰ শাসন প্ৰশাসন তন্ত্ৰৰ লগত Co-ordinate কৰিছোঁ আৰু এই কামৰ কাৰণে সীমা সুৰক্ষা এটা আন্দোলন হিচাবে গঢ় দিছো যাৰ দ্বাৰা আমি প্ৰয়াস কৰিছোঁ যে সীমাত বসবাস কৰা মানুহ সচেতন হওঁক, দেশপ্ৰেমিক হওঁক, সমৰস হওঁক। সীমাত কাম কৰা সমাজ সুখী হওঁক, সিহঁতৰ নূন্যতম আৱশ্যকতা পূৰণ হওঁক তথা তাত থকা সুৰক্ষা বল, শাসন প্ৰশাসন তন্ত্ৰ আটাইৰে লগত যোগাযোগ ৰক্ষা কৰি চলক। সকলো বিষয়ত এনে ধৰণে ভাবিব পৰা লোকৰ Group বনাব লাগিব। কোনে কি ভূমিকা পালন কৰিব, তাৰ কি পৰিণাম হ'ব, এনেবোৰ কথালৈ নগৈ এটি উদাহৰণ দাঙি ধৰিছোঁ।

মই ডেমচক গাওঁৰ কথা কম। আমি লাডাখৰ প্ৰত্যেক গাওঁত কাম আৰম্ভ কৰি দিছোঁ। প্ৰথম প্ৰথম যেতিয়া গৈছিলোঁ, তাত অহা যোৱা বৰ কষ্টকৰ আছিল, লেহৰ পৰা তালৈ যাওঁতে তিনি দিন লাগিছিল। কিন্তু গাওঁৰ

কামৰ পৰিণাম কেনে হয়, সেয়া ৮০ ঘৰ গাওঁ পোৱাৰ 40 K.M. আগতে আৰু এখন গাওঁ পোৱা যায়। গাওঁৰ মহত্ব কেনে হ'ব পাৰে তাক আপুনি Google ত চাব পাৰে। ডেমচক গাওঁখন সিন্ধু নদীৰ এই পাৰে, ইয়াৰ আধা চীনৰ দখলত, আধা আমাৰ দখলত, ১৯৬২ চনত চীন দেশে এই অংশটো অধিকাৰ কৰি লয়। এখন গাওঁত যেতিয়া দেশভক্তি জাগি উঠে তেতিয়া তাত কামৰ পৰিণাম কেনে হ'ব পাৰে সেয়া সাধাৰণ লোকৰ কাৰণে উপলব্ধি কৰা সম্ভৱ নহয়। চীন দেশে সিহঁতৰ অধিকৃত অঞ্চলত সাত বছৰ আগতে এটা উপনিবেশ (Colony) বনাইছে। আপুনি নক্সাত দেখা পাব। তাত অনবৰত লাইট জ্বলি থাকে। ৮০ ঘৰ মানুহ আছে তাতে। ইফালে যিমান ঘৰ আছে, সিফালেও সিমান ঘৰ বনাইছে চীন দেশে। সিন্ধু নৈ লৈকে ৰাস্তা আছে সেই অঞ্চলটোত। আমাৰ এইফালে 280 K.M. ৰাস্তা এতিয়াও বনোৱা হোৱা নাই। Electricity ৰ পৰা আদি কৰি সকলো সুবিধা তাত উপলব্ধ। আমাৰ ফালে অলপ প্ৰয়াস কৰি Solar Lamp ইত্যাদি লগোৱা হৈছে। এখন Primary School আছে। ল'ৰা-ছোৱালী পঢ়িবলৈ তাত ব্যৱস্থা কৰা হৈছে। আজিৰ পৰা চাৰি বছৰ আগত সেই গাওঁৰ ভিতৰত 1st August, 2012 চনত চীন দেশৰ কিছু সৈনিক আহি, এইটো Dispute Territory ইয়াত আমাৰ Claim আছে, আমি ঘৰ বনাইছো, আপুনি বিচাৰিলে ইয়াত আহি থাকিব পাৰে কিন্তু আমি আপোনালোকক Warn কৰিব আহিছোঁ যে এইবাৰ ইয়াত স্বাধীনতা দিৱস উদ্‌যাপন নকৰিব। Independence Day ৰ Programme ইয়াত নহ'ব। বেলেগ দেশৰ সেনা আহি যদি অইন দেশৰ ব্যক্তিক ধম্‌কি দিব পাৰে তেন্তে কি হ'ব পাৰে। সিহঁতে দৌৰি দৌৰি IDBP ৰ আগত আহি সকলো কথা বিৱৰি কয়। সকলো শুনি IDBP এ কয় বিষয়টো সংবেদনশীল গতিকে C.O. ক জনাব লাগিব, C.O. ই সকলো শুনি কয় বিষয়টো মোৰ নহয় গতিকে Brigade ক জনাব লাগিব। Brigade শুনি বোলে বিষয়টো বৰ Sensetive সেয়ে Core ক জনাব লাগিব। এইদৰে Core এ Commender, commender এ Headquarter, Headquarter এ Ministry আৰু Ministry এ

PMO অফিছেহে এই বিষয়ে চূড়ান্ত সিদ্ধান্ত দিব পাৰিব বুলি কয়। তেতিয়া PMO কেনে আছিল আপোনালোক সকলোৱে জানে। ১১ আগষ্টত PMO ৰ পৰা পৰামৰ্শ আহিল যে এইবাৰ 15th August Programme তাত অনুষ্ঠিত কৰিব নালাগে। তেওঁলোকে ক'লে We do not want to aggravate the tension with Chaina. চীন দেশৰ সৈতে আমি উত্তেজনা বৃদ্ধি কৰিব নিবিচাৰোঁ। এই কথা শুনি গাওঁবাসীৰ এজনে Block Headquarter লৈ ফোন কৰিবলৈ আহিল। তেওঁ আহি ফোন কৰি যি ঘটিছিল বৰ্ণনা কৰি কয় এতিয়া কি কৰা যায়? আমি ক'লো, কি কৰিব, স্বাধীনতা দিৱসৰ কাৰ্য্যক্ৰমতো হোৱা উচিত, যি হ'ব দেখা যাব। অধিক আৰু কি হ'ব। ত্ৰিৰংগাৰ কাৰণে বহুতৰে বলিদান হৈছে, দুই চাৰিজন হয়তো আৰু হ'ব কিন্তু তাৰ ফলত দেশত Sensitivity তো জাগৰিত হ'ব আৰু সকলোৰে দৃষ্টিগোচৰ হ'ব। লেহৰ এজন কাৰ্য্যকৰ্তাক আমি তালৈ পঠিয়াও কিন্তু সকলোৱে হাত দাঙি দিয়ে। কিন্তু ডেমচক গাওঁ বাসীয়ে তাত ধূমধামেৰে স্বাধীনতা দিৱস পালন কৰে, পেৰেড কৰে আৰু ত্ৰিৰংগা উত্তোলন কৰি কাৰ্য্যক্ৰম সম্পূৰ্ণ কৰে। দেশ এখনৰ সীমাত বাস কৰা সমাজ যদি সজাগ হয়, দেশভক্ত হয়, তেতিয়া হ'লে দেশ সুৰক্ষিত হৈ ৰব, কিন্তু তাৰ বাবে তেওঁলোকে উপলব্ধি কৰিব পাৰিব লাগিব যে গোটেই দেশ তেওঁলোকৰ লগত আছে। এই কামটো এনেই হোৱা নাছিল। তাৰ বাবে continous কাম কৰি আছে আমাৰ মানুহে। আমাৰ চণ্ডীগড়ত এটা unit আছে। সিহঁতে বছৰত ২০/২৫ লাখ টকাৰ সামগ্ৰী একত্ৰিত কৰে। সম্পূৰ্ণ জম্মু-কাশ্মীৰৰ সকলো সীমান্তৰ প্ৰত্যেকখন গাওঁলৈ তেওঁলোকে এদিন এদিন এখন এখন স্কুললৈ যায়। প্ৰতিখন স্কুলত বিভিন্ন কাৰ্য্যক্ৰম কৰে যেনে খেলা-ধূলা, Art Competition ইত্যাদি। ইয়াৰ পিছত তেওঁলোকৰ মাজত পুৰস্কাৰ আৰু সামগ্ৰী সমূহ বিতৰণ কৰে। প্ৰত্যেক বছৰে এই কাৰ্য্য কৰাৰ ফলত যোৱা পাঁচ বছৰত সেই গাওঁ কেইখনৰ লগত গোটটোৰ এনে সম্বন্ধ হৈছে যে সেই সীমাৱৰ্তী গাওঁখনৰ কাৰোবাৰ কিবা সুখ দুখ বেমাৰ-আজাৰ আদি হ'লে তেওঁলোক চণ্ডীগড়লৈ আহি সেই গোটটোৰ সদস্যসকলক ফোন

কৰে। তেওঁলোকৰ এনে লাগে যেন চণ্ডীগড়ত সিহঁতৰ কোনোবা আপোন মানুহ ৰৈ আছে। চণ্ডীগড়ত উপস্থিত হোৱাৰ পিছত তেওঁলোকে উপলব্ধি কৰে যে এইখন আমাৰ ঘৰ। সীমাৰ মাজত, যি সদায় সংকটৰ মাজত থাকে তেওঁলোক কি ভাবিব পাৰে যে গুৱাহাটী, কলকাতা, বা পাটনাত তেওঁলোকৰ নিজৰ কোনোবা আছে। এনে হ'ব পাৰেনে? প্ৰত্যেক বছৰ আমি গুজৰাটলৈ এটা যাত্ৰা কৰোঁ। এই যাত্ৰাত অৰ্থাৎ সম্পূৰ্ণ সীমান্তত চিকিৎসা মহাবিদ্যালয়ৰ 5th Year ছাত্ৰ তথা ডাক্তৰসকল যায়। প্ৰথমবাৰ আমি এই কাৰ্য্যক্ৰম কৰিছিলোঁ পাঁচ (৫) দিনৰ বাবে। প্ৰথম দিন যাওঁতে অতিবাহিত হয় তাৰ পিছত অলপ প্ৰশিক্ষণ দিয়া হয়। তিনি দিন তেওঁলোকে তাতে থাকে, ইয়াৰ ভিতৰত যদি কোনোবা serious patient আহে তেওঁক Medical College লৈ যোৱা হয় তাত চিকিৎসা কৰিবলৈ। পাঁচ দিনৰ দিনা তেওঁলোকে উলটি আহে। তেওঁলোকক যেতিয়া উক্ত কাৰ্য্যক্ৰমৰ অনুভৱ কেনে বুলি সুধিছিলোঁ, উত্তৰত এজন ডাক্তৰে কৈছিল যে মোৰ তিনিবাৰ Border ত বদলি হৈছিল কিন্তু তিনিবাৰেই মই approach কৰি বদলি বন্ধ কৰিছিলোঁ এই বুলি যে তালৈ কোনে যাব। কিন্তু বাস্তৱত সীমান্তলৈ গৈ এনে লাগিছে যে প্ৰয়োজন যদি আছে সীমাত কাম কৰা লোকসকলৰহে। ডাক্তৰজনে আৰু কৈছিল আগলৈ এনে Posting আহিলে মই তালৈ যাম Stay নকৰাওঁ। Medical College ৰ ছাত্ৰ সকলে পাছ কৰাৰ পিছত সীমান্তত Posting দিলে উৎসাহেই নাপাইছিল। কিন্তু 5th Year ৰ ছাত্ৰই তাত গৈ পৰিস্থিতি দেখি উপলব্ধি কৰে যে আমাৰ Posting এনে ঠাইত হোৱা উচিত আৰু আমি তাত গৈ বৰ মন লগাই কাম কৰা উচিত। সমাজৰ ভিতৰত এই ধৰণৰ sensitivity তৈয়াৰ কৰিব পাৰি। সমাজৰ ভিতৰত ৰাষ্ট্ৰীয় সুৰক্ষা, সীমা সুৰক্ষা, এই বিষয়বোৰ লৈ এক ডাঙৰ আন্দোলন গঢ় দিব লাগিব। প্ৰতিজন ব্যক্তিয়ে ভবা উচিত যে ভগৱানে যেতিয়া মোক প্ৰতিভা, যোগ্যতা দিছে মই দেশৰ কি কামত প্ৰয়োগ কৰিব পাৰোঁ। মোৰ ভিতৰত কি আছে, এইবোৰ ভাবিব পাৰোঁ নেকি? আমি গোটেই দেশতে এনে মানুহ সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰিছোঁ। এজন মহান

ব্যক্তি যশপাল ভাট্টি, আপোনালোক নিশ্চয় নাম শুনিছে, তেওঁৰ জীৱনকাল পূৰ্ণ হোৱাত তেওঁৰ অবৰ্তমান পত্নী সবিতা ভাট্টিয়ে এটা Group চলায়। তেওঁলোকৰ লগত আমাৰ সম্পৰ্ক হয়। তেওঁলোকে বছৰত চাৰিদিন (৪) সীমান্তলৈ যায় আৰু কাৰ্য্যক্ৰম কৰে তাৰ বাবে খৰচ হয় ডেৰ লাখৰ পৰাই দুই লাখ। কিন্তু তেওঁলোকে সীমান্ত কাৰণে সেইয়া নিশুল্ক কৰি দিয়ে। সিহঁতৰো মনত এনে লাগে যেন আমাৰ মাজতো কোনোবা আছে। সীমান্তত থকা সুৰক্ষা বল বা সীমান্তৰ বাহিনীয়ে উপলব্ধি কৰে যে আমাৰ কথা চিন্তা কৰা কোনোবা আছে। এদিনৰ কাৰণে হ'লেও সিহঁতে হাঁহিবলৈ সুযোগ পায়। সীমাত থকা সকলো সমস্যা সমাধান হ'ব পাৰে যদি দেশত থকা সমাজে আৰু দেশে সীমান্তৰ হকে চিন্তা কৰিবলৈ আৰম্ভ কৰে। আজি সমাজৰ মানুহ সীমা এৰি ভিতৰলৈ আহিবলৈ আৰম্ভ কৰিছে, এনে অৱস্থাত সীমা সুৰক্ষিত থাকিবনে? দেশৰ ভিতৰত Border Tourism ৰ ব্যৱস্থা কৰিব পাৰি নেকি? বছৰত এবাৰ আপুনি Border ত ফুৰি আহিব, এনে ধৰণে ভাবিব পাৰি নে? সীমান্তত তীৰ্থ ক্ষেত্ৰ থাকিলে সেইটোও আকৰ্ষণীয় কৰি তুলি তাত বছৰত এবাৰ মেলাৰ আয়োজন কৰিব পাৰি। আমি গুৱাহাটীৰ ভিতৰত সকলো ক্ষেত্ৰতে কাম কৰা মানুহ থিয় কৰাব পাৰোঁনে? গোটেই দেশৰ ভিতৰত ৰাষ্ট্ৰীয় সুৰক্ষা, সীমা সুৰক্ষা, এইবোৰ বিষয় লৈ এটা আন্দোলন হওঁক, সকলোৱে দেশৰ কোনো নহয় কোনো বিষয়ৰ ওপৰত অধ্যয়ন কৰক, সমাজৰ সচেতনতাক উদ্‌গনি দিয়ক, সমাজক এই কামবিলাকৰ লগত জড়িত কৰক আৰু সমাজক সংযোজিত কৰাৰ লগে লগে আৰু তিনিটা কাম কৰিবলৈ সফল হয় যেনে - সীমান্তবৰ্তী সমাজ সজাগ হয়, সংগঠিত হয়, তেওঁলোকৰ নূত্যতম চাহিদা বা আৱশ্যকতা পূৰ্ণ হয়। আমাৰ যি তন্ত্ৰ আছে, সেই তন্ত্ৰই নিজৰ নিজৰ ভূমিকা পালন কৰে। সকলো ৰাজনৈতিক, সামাজিক, ধাৰ্মিক দায়িত্বপূৰ্ণ ব্যাক্তিয়ে নিজৰ দায়িত্ব বুজি কাৰ্য্য কৰিবলৈ আৰম্ভ কৰে, এই সকলোবোৰ যদি মিলি যায়, তেতিয়াহ'লে এই দেশৰ সুৰক্ষা সুৰক্ষিত হৈ থাকিব। আগতে এই দেশত এই বিষয়ে বহুত সজাগতা আছিল। এসময়ত

ভাৰতত ১ম চিকন্দৰৰ আক্ৰমণ হৈছিল, পশ্চিমত থকা সৰু সৰু ৰজা সকলে ইয়াক প্ৰতিৰোধ কৰিব পৰা নাছিল। চানক্যই দেখিলে মগধৰ ৰজা অকামিলা গতিকে ৰজাক সলনি কৰি চন্দ্ৰগুপ্ত মৌৰ্য্যক ৰজা পাতে। চন্দ্ৰগুপ্তৰ নেতৃত্বত আজিৰ পেশাৱৰত গৈ তাত চেলুকচৰ সেনাক পৰাস্ত কৰে। সেই সময়তেই মগধ সাম্ৰাজ্যই শ্ৰীনগৰত নিজৰ স্থায়ী Military Headquarter বনায়। এই শ্ৰীনগৰ সম্ৰাট অশোকে স্থাপন কৰিছিল। গোটেই সীমান্তবৰ্তী অঞ্চলত সেই সময়ত যবন, বেকট্ৰিয়া আৰু গ্ৰীকসকলৰ কিছু জনবসতি আছিল। পিছত পুষ্যমিত্ৰই সেই অঞ্চল আক্ৰমণ কৰি সম্পূৰ্ণ উত্তৰ পশ্চিমৰ পৰা গ্ৰীক আৰু বেকট্ৰিয়া সকলক খেদি পঠিয়াইছিল। বাকী যিসকল ৰৈ গৈছিল সেই সকলক সমাজে আত্মসাৎ কৰি লৈছিল। আমাৰ দেশত শক আহিছে, হুন আহিছে, কুশান আহিছে কিন্তু তেতিয়া ৰাজনৈতিক ইচ্ছাশক্তি প্ৰবল আছিল, সমাজ সক্ৰিয় আছিল, সচেতন আছিল, সমাজৰ নেতৃত্বত থকা নেতাসকলে নিজৰ নিজৰ ভূমিকা পালন কৰিছিল। দেশলৈ অহা সকলোকে, হুন, কুশান, আদিক আমি আদৰি লৈছোঁ, হজম কৰিছোঁ, সকলোকে দেশৰ মূল সাংস্কৃতিক আৰু ৰাজনৈতিক প্ৰবাহলৈ লৈ আহিবলৈ সক্ষম হৈছো। আজি আমাৰ দেশত দ্বিতীয় বাৰ আকৌ সমাজৰ প্ৰবল ইচ্ছাশক্তি, সচেতন সমাজৰ নেতৃত্ব, সমাজৰ সীমান্তবৰ্তী সমাজ তিনিও একেলগে হৈ আমি দেশৰ সীমাক সুৰক্ষিত কৰি ভাৰতীয় জন সংস্কৃতিৰ চৰিত্ৰক আমি মানিব লগীয়া আৰু শুনিব লগীয়া কৰিবলৈ গোটেই দেশতে নিজৰ নিজৰ ভূমিকা পালন কৰিম নে সেইটো আজিৰ দিনত এটা ডাঙৰ প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বানৰ উত্তৰ দিবলৈ আমি কোনে কোনে কি ভূমিকা পালন কৰিম, সেইটো বেলেগক নুসুধি আমি প্ৰত্যেকে কি কৰিব পাৰোঁ এই বিচাৰ কৰি নিজৰ নিজৰ দৃষ্টি আৰু সংকল্প স্থিৰ কৰি এই সমাজৰ ভিতৰত ৰাষ্ট্ৰীয় সুৰক্ষাৰ দৰে এক আন্দোলনত যেন আমি ভাগ লওঁ, এনে আহ্বান কৰি মই মোৰ বক্তব্য সামৰিছোঁ।

— — —

# অৰুণ কুমাৰ জীৰ চমু পৰিচয়



জন্ম আৰু পঢ়া-শুনা দিল্লীত। ইঞ্জিনীয়াৰিং ডিগ্ৰীধাৰী শ্ৰী অৰুণ কুমাৰ জীৰ সামাজিক জীৱন আৰম্ভ হয় ১৯৮৩ চনত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘত জড়িত হোৱাৰ পৰা। সংগঠনত ৰাজ্যিক আৰু কেন্দ্ৰীয় স্তৰত বহু উল্লেখযোগ্য দায়িত্ব বহন কৰিছে। হাৰিয়ানাত সহ-প্ৰান্ত প্ৰচাৰক হিচাপে থকাৰ পিছত প্ৰান্ত-প্ৰচাৰক ৰূপে জম্মু-কাশ্মীৰৰ দায়িত্ব লয়। বৰ্তমান ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অখিল ভাৰতীয় সহ-সম্পৰ্ক প্ৰমুখ হিচাপে কাৰ্য নিৰ্বাহ কৰি আছে।

জম্মু-কাশ্মীৰৰ প্ৰান্ত-প্ৰচাৰক ৰূপে তেখেতে সাত বছৰ থাকি জম্মু-কাশ্মীৰৰ সমগ্ৰ বিষয়বিলাক পৰ্যালোচনা কৰিছিল। সেই সাত বছৰতে তেখেতে জম্মু-কাশ্মীৰৰ চুকে-কোনে তন্ন-তন্নকৈ ঘূৰি ৰাজ্যখনৰ ৰাজনৈতিক, সামাজিক আৰু জনগাথঁনি সম্পৰ্কীয় বিষয়সমূহ সুক্ষ্মাতি-সুক্ষ্মভাৱে অধ্যায়ন কৰিছিল। এই সময়ছোৱাতে তেখেতে অনুভৱ কৰিছিল যে জম্মু-কাশ্মীৰৰ সমস্যা কোনো সমস্যাই নহয়, মূল সমস্যা হ'ল তাৰ বিষয়ে থকা আমাৰ ভুল অৱধাৰণা আৰু ভুল বাতৰি। তথ্য পৰিৱেশন।

শ্ৰী অৰুণ কুমাৰজীৰ লগত নিম্নোক্ত বিষয় সন্ধৰ্ভত পৰামৰ্শ বা আলোচনাৰ বাবে আগ্ৰহীসকলে যোগাযোগ কৰিব পাৰে ঃ-

১। ভাৰতৰ সৈতে জম্মু-কাশ্মীৰৰ অখণ্ড, ভাৰতীয় সংবিধান অনুচ্ছেদ ৩৭০।

২। পাক অধিকৃত জম্মু-কাশ্মীৰ আৰু চীন অধিকৃত জম্মু-কাশ্মীৰ।

- মীৰপুৰ আৰু মুজ্জাফৰাবাদ আৰু পুঞ্চ জিলাৰ অঞ্চল সমূহ।
- গিলগিট-বাল্টিস্তান।
- অক্চাই চীন।
- সাক্ষগম।

৩। জম্মু-কাশ্মীৰৰ শৰণাৰ্থী আৰু নিগৃহিত জনসাধাৰণ।

৪। জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদৰ বলি হোৱা জনসমাজ।

৫। জম্মু-কাশ্মীৰত ব্যৱসায়িক সা-সুবিধা বৃদ্ধি আদিৰ ক্ষেত্ৰত সকলোৱে কৰিব পৰা সহায়তা।